জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩৫/২০২১

**আয়ুষ চিকিৎসা প্ৰণালীৰ প্ৰচাৰৰ বাবে অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্বাস্থ্য মন্ত্ৰীসকলৰ সন্মিলনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# উত্তৰ-পূৰ্বাঞ্চলৰ আয়ুষ খণ্ডৰ পদ্ধতিগত বিকাশৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নয়ন সাধন কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আয়ুষ আৰু বন্দৰ, জাহাজ আৰু জলমাৰ্গ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ‘আয়ুষ আপোনাৰ সেৱাত’ শীৰ্ষক বিষয়ৰ অধীনত আয়ুষ চিকিৎসা প্ৰণালীৰ প্ৰচাৰৰ বাবে অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্বাস্থ্য মন্ত্ৰীসকলৰ সন্মিলনত অংশগ্ৰহণ কৰে।

সন্মিলনত প্ৰতিনিধিসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আয়ুষ আমাৰ ঐতিহ্য আৰু আমাৰ সভ্যতাৰ সৈতে গভীৰভাৱে সংপৃক্ত হৈ আছে। আয়ুষ ব্যৱস্থাটোত আমি অৰিহণা যোগাব পাৰিলে ই আমাৰ সভ্যতাক আৰু অধিক সমৃদ্ধ কৰি তুলিব। মুখ্যমন্ত্ৰীয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চলত থকা সমৃদ্ধ জৈৱ-বৈচিত্ৰৰ বাবে এই অঞ্চলটোত আয়ুষ খণ্ডক বিকশাই তোলাৰ বাবে যথেষ্ট সম্ভাৱনা আছে। এই সম্ভাৱনা এক প্ৰণালীবদ্ধভাৱে বিকশাই তুলিব পাৰিলে উত্তৰ-পূৰ্বাঞ্চল ভৱিষ্যতে আয়ুষ হাব হিচাপে পৰিগণিত হ'ব।

ক'ভিড কালত ৰোগ প্ৰতিৰোধ আৰু ক্লিনিকেল ব্যৱস্থাপনাত আয়ুৰ্বেদিক ঔষধে লোৱা ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে আয়ুষ পদ্ধতিটোক অধিক বিকশাই তোলাৰ বাবে দুধনৈ আৰু মাজুলীত আয়ুষ চিকিৎসালয় নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে জনায় যে দুধনৈৰ আয়ুষ চিকিৎসালয়খনৰ নিৰ্মাণকাৰ্য ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু মাজুলীৰ চিকিৎসালয়খনৰ নিৰ্মাণকাৰ্য অতিশীঘ্ৰে সম্পূৰ্ণ হৈ উঠিব।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমান অসমত এখন চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় আছে। এই খণ্ডৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ অসমত আন এখন আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে অনুমোদন জনাবলৈ কেন্দ্ৰীয় আয়ুষ মন্ত্ৰীগৰাকীক আহ্বান জনায়। তেওঁ লগতে জনায় যে দুধনৈত ইতিমধ্যে এখন আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে ভূমি চিনাক্ত কৰা হৈছে। তেওঁ আশ্বাস প্ৰদান কৰি কয় যে প্ৰয়োজনীয় কৰ্মচাৰী নিয়োগৰ লগতে অভিলেখ সময়ৰ ভিতৰত ইয়াৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি তোলা হ'ব।

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

সন্মিলনত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় আয়ুষ আৰু বন্দৰ, জাহাজ আৰু জলমাৰ্গ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ বিকাশৰ হাব হিচাপে গঢ়ি তোলাৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ঔষধি উদ্ভিদৰ প্ৰাচুৰ্যতাৰ লগতে অঞ্চলটোত পৰম্পৰাগত ঔষধি প্ৰণালীৰ জনপ্ৰিয়তাকে ধৰি প্ৰাকৃতিক সম্পদৰ উপলব্ধতাৰ কথা বিবেচনা কৰি তেওঁৰ মন্ত্ৰালয়ে আয়ুষ খণ্ডত উত্তৰ-পূৰ্বাঞ্চলৰ থকা সম্ভাৱনা ব্যৱহাৰ কৰাৰ বাবে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনায় যে ৰাষ্ট্ৰীয় আয়ুষ অভিযানৰ অধীনত অসমৰ গোৱালপাৰাত এখন আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত এশখন আয়ুষ ডিচপেনচাৰি, ১০০০টা স্বাস্থ্য আৰু সুস্থতা কেন্দ্ৰ স্থাপন কৰিব। তেওঁ লগতে কয় যে আয়ুৰ্বেদিক মহাবিদ্যালয়খন নিৰ্মাণত ৭০ কোটি টকা ব্যয় কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ঘোষণা কৰে যে গুৱাহাটী চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ক উৎকৃষ্টতাৰ কেন্দ্ৰ (চেণ্টাৰ অব এক্সিলেঞ্চ) হিচাপে বিকাশ সাধন কৰা হ'ব।

তেওঁ লগতে কয় যে ৰাষ্ট্ৰীয় ঔষধ উদ্ভিদ পৰিষদে (এন এম পি বি) অঞ্চলটোত কেঁচা সামগ্ৰী সংসাধনৰ বাবে এটা সুবিধা কেন্দ্ৰ স্থাপন কৰিব। ইয়াৰ উপৰি আয়ুষ স্বাস্থ্য ব্যৱস্থা প্ৰণালী ৰূপায়ণৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত 'ইনভেষ্ট ইণ্ডিয়া ষ্টেটেজিক চেণ্টাৰ এণ্ড ফেচিলিটেচন ব্যুৰো' স্থাপনৰ বাবে পদক্ষেপ লোৱা হ'ব বুলি তেওঁ কয়।

সন্মিলনত আয়ুষ, মহিলা আৰু শিশু বিকাশ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ডাঃ মঞ্জুপাৰা মহেন্দ্ৰভাই কালুভাই, অসমৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, ছিকিমৰ স্বাস্থ্য মন্ত্ৰী ড° মনি কুমাৰ শৰ্মা আৰু নাগালেণ্ডৰ স্বাস্থ্য মন্ত্ৰী এছ পাংনিউ ফমেও ভাষণ প্ৰদান কৰে।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় আয়ুৰ্বেদিক বিজ্ঞান গৱেষণা পৰিষদৰ (চি চি আৰ এ এছ) সঞ্চালকপ্ৰধান ড° এন শ্ৰীকান্ত, এন এম পি বিৰ উপ-মুখ্য কাৰ্যবাহী বিষয়া শেখৰ চানৱাল, ইনভেষ্ট ইণ্ডিয়াৰ সহকাৰী উপ সভাপতি আস্থা ত্যাগী, ডাবৰ ৰিচাৰ্ছ এণ্ড ডেভেলপমেণ্ট চেণ্টাৰৰ ড° গুডউইন নিউটন আৰু আয়ুষৰ যুটীয়া উপদেষ্টা ড° এ ৰঘুৱে উত্তৰ-পূৰ্বাঞ্চলৰ আয়ুষ খণ্ডৰ সম্ভাৱনা আৰু অঞ্চলটোত মন্ত্ৰণালয়ৰ দ্বাৰা লোৱা পদক্ষেপসমূহৰ ওপৰত বিতংভাৱে আলোকপাত কৰি প্ৰেজেনটেশ্বন আগবঢ়ায়।

অনুষ্ঠানৰ লগত সংগতি ৰাখি চি চি আৰ এ এছৰ দ্বাৰা প্ৰকাশিত কেইবাখনো গৱেষণা গ্ৰন্থ মুকলি কৰা হয়। ভাৰত চৰকাৰৰ আয়ুষ মন্ত্ৰণালয়ৰ সচিব বৈদ্যৰাজ ৰাজেশ কটেছাই আদৰণি ভাষণ প্ৰদান কৰা সন্মিলনত শলাগৰ শৰাই আগবঢ়ায় আয়ুষ মন্ত্ৰণালয়ৰ বিশেষ সচিব প্ৰমোদ কুমাৰ পাঠকে। সন্মিলনত আয়ুষ মন্ত্ৰণালয়ৰ কেইবাগৰাকী শীৰ্ষ বিষয়াৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

**বীঃগঃ / পুঃডেঃ**
**২৮/০৮/২০২১**